NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 27-12-2025 **Time :** 1340 Hrs.

Assamese Midday Bulletin
HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত মুখ্য সচিবসকলৰ পঞ্চম ৰাষ্ট্ৰীয় সন্মিলনত অধ্যক্ষতা কৰিছে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে সমগ্ৰ দেশত সন্ত্ৰাসবাদ প্ৰতিৰোধী উমৈহতীয়া পৰিকাঠামো গঢ়ি তোলা পোষকতা কৰিছে।

৩। বাংলাদেশত সংখ্যালঘু সম্প্ৰদায়ৰ বিৰুদ্ধে অব্যাহত আতিশায্যৰ ঘটনাক লৈ ভাৰতে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে।

৪। অপাৰেচন আঘাত তৃতীয়ৰ অধীনত দিল্লী আৰক্ষীয়ে আৱকাৰী আইন, অস্ত্ৰ আইন, এন ডি পি এছ আইন আৰু জুৱা বিৰোধী আইনৰ অধীনত ২৮০বো অধিক লোকক গ্ৰেপ্তাৰ কৰিছে।

আ/ৰু

৫। ভাৰতৰ গৌতম কৃষ্ণাই ফিডে বিশ্ব ৰেপিড দবা প্ৰতিযোগিতাৰ আজি প্ৰথম দিনা তিনিগৰাকী গ্ৰেণ্ড মাষ্টাৰক পৰাস্ত কৰে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত মুখ্য সচিবসকলৰ পঞ্চম ৰাষ্ট্ৰীয় সন্মিলনত অধ্যক্ষতা কৰিছে। তেওঁ কাইলৈও সন্মিলনত অধ্যক্ষৰ দায়িত্ব পালন কৰিব। ৰাষ্ট্ৰীয় উন্নয়নৰ অগ্ৰাধিকাৰৰ ক্ষেত্ৰত নিৰন্তৰ আলোচনাৰ মাধ্যমেৰে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সহযোগিতা সুদৃঢ় কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য। সন্মিলনত এটা উমৈহতীয়া উন্নয়নমূলক কাৰ্যসূচী চূড়ান্ত কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ দৃষ্টিভংগী অনুযায়ী আয়োজন কৰা এই সন্মিলনে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক একেখন মঞ্চত উপবিষ্ট কৰি দেশৰ মানৱ মূলধন সম্ভাৱনা আৰু সৰ্বাত্মক তথা ভৱিষ্যমুখী বিকাশ তৰাণ্বিত কৰিব। এই সন্মিলনত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বাবে মানৱ মূলধন বিষয়ত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। প্ৰাৰম্ভিক শৈশৱকালৰ শিক্ষা, স্কুলীয়া শিক্ষা, উচ্চ শিক্ষা, ক্ৰীড়া, দক্ষতা বিকাশ আৰু পাঠ্যক্ৰম বহিৰ্ভূত কাম-কাজক লৈ সন্মিলনত আলোচনা কৰা হ'ব।

এই সন্মিলনত মুখ্য সচিব, সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বিষয়া আৰু বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰিছে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চাৰিদিনীয়া কাৰ্যসূচীৰে গোৱা, কৰ্ণাটক আৰু ঝাৰখণ্ডলৈ যাব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি ৰাষ্ট্ৰপতিগৰাকী সন্ধিয়া গোৱাত উপস্থিত হ'ব। কাইলৈ শ্ৰীমতী মুৰ্মু কৰ্ণাটকৰ কাৰ্ৱাৰ

বন্দৰত এখন চাবমেৰিণত কিছু সময়ৰ বাবে যাত্রা কৰিব। পৰহি তেওঁ ঝাৰখণ্ডৰ জামছেদপুৰত অ' আই চিকি অর্থাৎ চাওতালী লিপিৰ শতবর্ষ উদযাপন অনুষ্ঠানত ভাগ ল'ব। উল্লেখযোগ্য যে অ' আই চিকিয়ে চাওতাল জনগোষ্ঠীৰ সংস্কৃতি আৰু ভাষাৰ ক্ষেত্রত বিশেষ গুৰুত্ব বহন কৰে। একেদিনাই তেওঁ এন আই টি জামছেদপুৰৰ পঞ্চদশ সমাৱর্তনত অংশ ল'ব। ৰাষ্ট্রপতি শ্রীমতী মুর্মুৰে ৩০ ডিচেম্বৰত ঝাৰখণ্ডৰ গুমলাৰ আন্তঃৰাজ্য জনসাংস্কৃতিক সমাগম সমাৰোহ - কার্তিক যাত্রাত অংশগ্রহণ কৰিব।

০০০০০০০

কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে সমগ্র দেশত সন্ত্রাসবাদ প্রতিৰোধী উমৈহতীয়া পৰিকাঠামো গঢ়ি তোলা পোষকতা কৰিছে। তেওঁ লগতে বিভিন্ন ৰাজ্যৰ আৰক্ষী সঞ্চালক প্রধানসকলক শীঘ্রে এই ব্যৱস্থা কার্যকৰী কৰিবলৈ নির্দেশ দিছে। নতুন দিল্লীত আয়োজিত ৰাষ্ট্রীয় তদন্ত সংস্থাৰ দুদিনীয়া সন্ত্রাসবাদ প্রতিৰোধী সম্মিলন মুকলি কৰি শ্রী শ্বাহে কালি এইকথা প্রকাশ কৰে। তেওঁ কয় যে সমগ্র দেশত সন্ত্রাসবাদ প্রতিৰোধী উমৈহতীয়া পৰিকাঠামো গঢ়ি তুলিলে এই সকলে পর্যায়ত সন্ত্রাসবাদী কার্যকলাপ ৰোধ কৰা সহায় কৰিব।

০০০০০০০

অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ আজি খচৰা প্রকাশ কৰা হৈছে। এই খচৰা ভোটাৰ তালিকাৰ ভিত্তিত ৰাইজে অহা ২২ জানুৱাৰী পর্যন্ত ওজৰ আপত্তি দাখিল কৰিব পাৰিব। ২ ফেব্রুৱাৰীৰ ভিতৰত এই ওজৰ-আপত্তিসমূহ নিষ্পত্তি কৰি ১০ ফেব্রুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্রকাশ কৰা হ'ব।

০০০০০০০

বাংলাদেশত সংখ্যালঘু সম্প্রদায়ৰ বিৰুদ্ধে অব্যাহত আতিশায্যৰ ঘটনাক লৈ ভাৰতে গভীৰ উদ্বেগ প্রকাশ কৰিছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক পৰিক্রমা মন্ত্র্যালয়ৰ মুখপাত্র ৰণধীৰ জয়শোৱালে কয় যে ভাৰতে বাংলাদেশত ময়মনসিং চহৰত অলপতে এজন হিন্দু যুৱকৰ হত্যাৰ ঘটনাক তীব্র গৰিহণা দিয়ে আৰু এই ঘটনাৰ ষড়যন্ত্রকাৰীসকলক আইনৰ কাঠগড়ালৈ আনিবই লাগিব।

বাংলাদেশৰ আসন্ন নির্বাচন সন্দর্ভত সাংবাদিকে সোধা এটা প্রশ্নৰ উত্তৰত শ্রী জয়শোৱালে কয় ভাৰতে দেশখনত মুক্ত, নিকা, সর্বাত্মক আৰু অংশীদাৰমূলক নির্বাচনৰ সমর্থন কৰে। চুবুৰীয়া ৰাষ্ট্রখনত অহা ১২ ফেব্রুৱাৰীত সংসদীয় নির্বাচন অনুষ্ঠিত হোৱাৰ কথা।

০০০০০০০

অপাৰেচন আঘাত তৃতীয়ৰ অধীনত দিল্লী আৰক্ষীয়ে আৱকাৰী আইন, অস্ত্র আইন, এন ডি পি এছ আইন আৰু জুৱা বিৰোধী আইনৰ অধীনত ২৮০ৰো অধিক লোকক গ্রেপ্তাৰ কৰিছে। দিল্লী আৰক্ষীয়ে প্রকাশ কৰা অনুসৰি যোৱা নিশা এই অভিযানৰ সময়ত ৫০৪জন লোকক আটক কৰা হয় আৰু অসৎ চৰিত্রৰ ১০০ৰো অধিক লোকক গ্রেপ্তাৰ কৰা হৈছে। অভিযানকালত ১২হাজাৰ লিটাৰৰো অবৈধ সু�ৰা, ২৩১খন মটৰ চাইকেল-স্কুটী আৰু এখন গাড়ী উদ্ধাৰ কৰা হয়।

০০০০০০০

সমগ্র দেশতে আজি দশম তথা অন্তিমগৰাকী শিখগুৰু গুৰু গোবিন্দ সিঙৰ ৩৫৯ সখ্যক জন্ম বার্ষিকী পালন কৰা হৈছে। এই উপলক্ষে দেশৰ বিভিন্ন স্থানত ধর্মীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰু গোবিন্দ সিঙৰ পৱিত্ৰ প্ৰকাশ উৎসৱ উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে গুৰু গোবিন্দ সিঙৰ অদম্য সাহস আৰু অসাধাৰণ বুদ্ধিমত্তাই জনসাধাৰণক সঠিক জীৱন যাপন কৰিবলৈ অনুপ্ৰাণিত কৰে।

উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত কয় যে সমগ্ৰ ৰাষ্ট্ৰই গুৰু গোবিন্দ সিঙৰ নিৰ্দশনমূলক সাহস, জ্ঞান আৰু কৰুণাৰ মনোভাৱৰ প্ৰতি সন্মান জনাই আহিছে। তেওঁ কয়, যে ধৰ্মৰ গুৰুগৰাকীয়ে ভৱিষ্যত প্ৰজন্মসমূহক সত্য, ন্যায় আৰু ধৰ্মৰ পথ অনুসৰণ কৰিবলৈ আৰু নিৰ্ভীক তথা বিনম্ৰ জীৱন-যাপন কৰিবলৈ অনুপ্ৰাণিত কৰি আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ উৎসৱ উপলক্ষে চলিত বৰ্ষৰ প্ৰথম ভাগত গুৰুগোবিন্দ সিঙৰ জন্মস্থান টখট শ্ৰী হৰিমন্দিৰ জী পাটনা চাহিব ভ্ৰমণৰ আলোকচিত্ৰ শ্বেয়াৰ কৰিছে। শ্ৰীমোদীয়ে কয় যে গুৰু গোবিন্দ কৰুণা আৰু ত্যাগৰ প্ৰতীকস্বৰূপ। তেওঁ কয় যে দশম শিখগুৰুগৰাকীৰ জীৱন আৰু শিকনিসমূহে আজিও জনসাধাৰণক মানৱীয় গৰিমা বৰ্তাই ৰাখি সত্য, ন্যায় আৰু শুদ্ধ পথত থাকিবলৈ অনুপ্ৰাণিত কৰে। গুৰু গোবিন্দ সিঙৰ সেৱা আৰু নিঃস্বাৰ্থৰ কৰ্তব্যৰ দৃষ্টিভংগীয়ে প্ৰজন্ম প্ৰজন্ম ধৰি পথ প্ৰদশন কৰি আহিছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে।

oooooooo

ডাঠ কুঁৱলীৰ বাবে দেশৰ বিভিন্ন প্ৰান্তলৈ ৰেলগাড়ীৰ চলাচলত ব্যাঘাত জন্মিছে। ভাৰতীয় ৰেলৱেই প্ৰকাশ কৰা অনুসৰি প্ৰায় ১৯খন ৰেলগাড়ীৰ চলাচল দুঘণ্টাৰো অধিক পলম হৈছে। ৰেল ষ্টেচনলৈ যোৱাৰ পূৰ্বে ৰেলগাড়ীসমূহৰ শেহতীয়া তথ্য পৰীক্ষা কৰিবলৈ যাত্ৰীসকলক আহ্বান জনোৱা হৈছে।

oooooooo

থাইলেণ্ড আৰু কম্বোডিয়াই সীমান্তৰ বিবাদক লৈ চলি থকা সংঘাতৰ সাময়িকভাৱে অন্তত পেলাই এখন যুদ্ধ বিৰতি চুক্তিত উপনীত হৈছে। থাইলেণ্ডৰ প্ৰতিৰক্ষা মন্ত্ৰী নাথাপন নাকপানিচ আৰু কম্বোডিয়াৰ উপ প্ৰধানমন্ত্ৰী তথা প্ৰতিৰক্ষা মন্ত্ৰী টিয়ে ছেইহায়ে থাইলেণ্ডৰ চানথাবুড়ী প্ৰদেশৰ সীমান্তৱৰ্তী পহৰা চকীত আজি যুদ্ধ বিৰতি চুক্তিত স্বাক্ষৰ কৰে। এখন বিশেষ বৈঠকৰ পাছত দুয়োখন দেশৰ প্ৰশাসনে এখন যৌথ বিবৃতিত প্ৰকাশ কৰে।

চলিত বছৰৰ জুলাইত যুদ্ধ বিৰতি ভংগ হোৱাৰ পাছত চলিত মাহৰ আৰম্ভণিতে দুয়োখন চুবুৰীয়া দেশৰ মাজত সংঘাতৰ সৃষ্টি হৈছে। সীমান্তৱৰ্তী অঞ্চল, বিশেষকৈ ডেংৰেক পৰ্বতমালাৰ সমীপত স্থলসেনাৰ লগতে ৰকেট আৰু বিমান আক্ৰমণেৰে দুয়োখন দেশ যুদ্ধত লিপ্ত হয়। আছিয়ান গোষ্ঠীয়ে যুদ্ধ পৰিহাৰ কৰি অঞ্চলটোত শান্তি স্থাপনৰ বাবে আলোচনাত বহিবলৈ থাইলেণ্ড আৰু কম্বোডিয়াক আবেদন জনাইছে।

oooooooo

জম্মুৰ গুলছন খেলপথাৰত জম্মু-কাশ্মীৰ আৰক্ষীৰ উদ্যোগত কাইলৈ একতাৰ দৌৰ-জম্মু মাৰাথন-২০২৫ৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় একতা, স্বাস্থ্যকৰ জীৱন-যাপন আৰু সামূহিক অংশগ্ৰহণ বৃদ্ধিৰ উদ্দেশ্যেই ইয়াৰ আয়োজন কৰা হৈছে। অধিক লোকৰ অংশগ্ৰহণৰ লক্ষ্যৰে একতাৰ দৌৰত ১০টা বিভাগ অন্তৰ্ভুক্ত কৰা হৈছে। সেই অনুসৰি পুৰুষ,মহিলা,জুনিয়ৰ,বৰ্ষীয়ান,ছাব জুনিয়ৰ আৰু জ্যেষ্ঠ নাগৰিকসকলে বিভিন্ন বিভাগত যোগদান

কৰিব পাৰিব। এই প্ৰতিযোগিতাত প্ৰধান প্ৰধান বিভাগ সমূহৰ প্ৰথম তিনি গৰাকী বিজয়ীক ক্ৰমে ৫০হাজাৰ, ৩০ হাজাৰ আৰু ২০ হাজাৰ টকাৰ পুৰস্কাৰ দিয়া হ'ব। প্ৰতিযোগিতাৰ মুঠ প্ৰাইজমানিৰ পৰিমাণ ৪লাখ ৭০ হাজাৰ টকা।

প্ৰধান বিভাগসমূহৰ ভিতৰত আছে-পুৰুষৰ ২১ দশমিক ০-৯-৭-৫ কিলোমিটাৰ অৰ্ধমাৰাথন, ১৮বছৰ বয়সৰ উৰ্ধৰ পুৰুষ-মহিলাৰ ১০ কিলোমিটাৰ দৌৰ। তদুপৰি, জ্যেষ্ঠ নাগৰিক, মহিলা, সৰু ল'ৰা-ছোৱালী আৰু সাধাৰণ লোকৰ বাবে ২ কিলোমিটাৰ জোৰা বিশেষ দৌৰৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০

১৫ বছৰীয়া ভাৰতীয় দবা খেলুৰে গৌতম কৃষ্ণাই ফিডে বিশ্ব ৰেপিড দবা প্ৰতিযোগিতাৰ আজি প্ৰথম দিনা সুন্দৰ প্ৰদৰ্শনেৰে তিনিগৰাকী গ্ৰেণ্ড মাষ্টাৰ আলেকজেণ্ডাৰ ইন্দজিক, অৰবিন্দ চিদাম্বৰম আৰু টেইমুৰ ৰাদজাব'ভক পৰাস্ত কৰে। গৌতমে অন্য দুজন খৈলুৰৈৰ বিৰুদ্ধে ড্ৰ খেলে আৰু প্ৰতিযোগিতাৰ প্ৰথম দিনা অপৰাজেয় হৈ ৰয়। খেলুৰৈগৰাকীয়ে এই জয়ৰ সুবাদত এদিনতে ছয় দশমিক শূন্য ৰেটিং পইণ্ট অৰ্জন কৰে। প্ৰথম দিনৰ খেলৰ অন্তত গৌতম প্ৰতিযোগিতাৰ অগ্ৰণী খেলুৰৈ মেগনাছ কাৰ্লছেন, দি গুকেছ আৰু অৰ্জুন এৰিগেইছিতকৈ আধা পইণ্টত পিছপৰি আছে।

০০০০০০০০

পাৰ্বত্য ৰাজ্য ছিকিমত চলিত শীতকালত অভিলেখসংখ্যক পৰ্যটকৰ আগমন হৈছে। উত্তৰ ছিকিমৰ লাচুঙৰ সকলো হোটেলৰ বুকিং ইতিমধ্যে সম্পূৰ্ণ হৈছে। পূৰ ছিকিমৰ নাথুলা আৰু জুলুকত ২২ ডিচেম্বৰৰ পৰা অগণন পৰ্যটকৰ সমাগম হৈছে। বিগত বছৰতো ৰাজ্যখনত মটৰ চাইকেল এডভেঞ্চাৰ পৰ্যটন বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ সমান্তৰালকৈ গেংটক আৰু পেলিঙত হোটেলসমূহৰ কোঠাৰ ভাড়া বৃদ্ধি হোৱা দেখা গৈছে।

০০০০০০০০

সমাপ্ত